NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা ওম বিৰলা অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী হ'ব। বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ্ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে।

৩। অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ দ্বিতীয় দিনা আজি কেইবাগৰাকীও নৱ-নিৰ্বাচিত সাংসদে শপত গ্ৰহণ কৰে।

৪। দিল্লী উচ্চ ন্যায়ালয়ে আজি মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ক'লা ধন বৈধকৰণৰ এটা গোচৰত বিচাৰ আদালতে দিয়া জামিনত স্থগিতাদেশ দিছে।

*আৰু*

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে। ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এই দিনটোৱে আমাক কংগ্ৰেছে কিদৰে বুনিয়াদী স্বাধীনতা খণ্ডন কৰিছিল আৰু প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সন্মানৰ সংবিধান অমান্য কৰিছিল, সেই কথা সোঁৱৰাই দিয়ে। তেওঁ কয় যে সেই সময়ৰ কংগ্ৰেছ চৰকাৰে সকলো গণতান্ত্ৰিক নীতি বিসৰ্জন দি সমগ্ৰ ৰাষ্ট্ৰক এখন কাৰাগাৰত পৰিণত কৰিছিল। শ্ৰী মোদীয়ে কয় যে জৰুৰীকালীন অৱস্থা বলৱৎ কৰাসকলৰ সংবিধানৰ প্ৰতি মৰমক লৈ ভাষণ দিয়াৰ কোনো অধিকাৰ নাই। এই একেসকল লোকেই কেইবাবাৰো ৩৫৬ নম্বৰ অনুচ্ছেদ বলৱৎ কৰাৰ

লগতে সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছিল, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ধবংস কৰিছিল আৰু সংবিধানৰ প্ৰতিটো দিশ উলংঘা কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে এইবুলি অভিযোগ কৰে যে যি মানসিকতাৰ বাবে কংগ্ৰেছ দলে জৰুৰীকালীন অৱস্থা বলৱৎ কৰিছিল, সেই মানসিকতা দলটোৰ মাজত এতিয়াও বিদ্যমান।

ইফালে, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কংগ্ৰেছক সমালোচনা কৰি কৈছে যে, দলটোৰ চিন্তা-ধাৰা অথবা কৰ্ম-শৈলীত গণতন্ত্ৰৰ কোনো থল নাই। ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰ প্ৰতিবাদকল্পে আজি নতুন দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্য্যালয়ত আয়োজিত গণতন্ত্ৰৰ অন্ধকাৰময় দিন শীৰ্ষক অনুষ্ঠানক সম্বোধন কৰি শ্ৰীনাড্ডাই এইদৰে প্ৰকাশ কৰে। শ্ৰীনাড্ডাই কয় যে, জৰুৰীকালীন অৱস্থাৰ সময়ত মোৰাৰজী দেশাই, অটল বিহাৰী বাজপেয়ী আৰু লালকৃষ্ণ আদৱানিৰ দৰে আগশাৰীৰ নেতাসকলক নিশাৰ ভিতৰত কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। গণতন্ত্ৰ ৰক্ষাৰ হকে মাত মতাৰ বাবেই এই নেতাসকল ১৯ মাহৰো অধিক সময় কাৰাৰুদ্ধ হৈ থাকিবলগীয়া হৈছিল বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা যোৱাবাৰৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলা এইবাৰো এন ডি এ মিত্ৰজোঁটৰ অধ্যক্ষ পদৰ প্ৰাৰ্থী হ'ব। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। অধ্যক্ষৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে চৰকাৰ আৰু বিৰোধী পক্ষই অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষ নিৰ্বাচনৰ সময়ত বিষয়টো লৈ আলোচনা কৰা হ'ব বুলি অৱগত কৰোৱা হয়। তেওঁ কয় যে বিৰোধী পক্ষই অধ্যক্ষৰ নিৰ্বাচনক লৈ আগবঢ়োৱা চৰ্তসমূহ চৰকাৰে প্ৰত্যাখ্যান কৰে। ইফালে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু এনে হ'লে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ'ব লাগিব। সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে ৰাজনাথ সিঙে মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰি অধ্যক্ষ পদৰ বাবে সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

ইফালে, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোকসভাৰ অধ্যক্ষ সৰ্বসন্মতভাৱে আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'ব লাগে বুলি প্ৰকাশ কৰিছে। সংবাদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে, স্বাধীনতাৰ পাছৰে পৰা এতিয়ালৈকে লোকসভাৰ অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। তেওঁ কয় যে, চৰকাৰে লোকসভাৰ অধ্যক্ষৰ নামক লৈ সহমত গঢ়ি তোলাৰ বাবে লোকসভাত বিভিন্ন দলৰ নেতাসকলৰ সৈতে আলোচনা কৰিছে। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অৱশ্যে এই ক্ষেত্ৰত চৰ্ত আৰোপ কৰিছে আৰু উপাধ্যক্ষৰ পদ দাবী কৰিছে। সহমত চৰ্তসাপেক্ষ হ'ব নালাগে বুলি উল্লেখ কৰি শ্ৰীৰিজিজুৱে কয় যে, তেওঁলোক উপাধ্যক্ষৰ বাছনিক লৈ সুকীয়া সিদ্ধান্তত উপনীত হোৱাৰ বাবে সাজু আছে।

মন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষক তেওঁলোকৰ সিদ্ধান্তৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাই কয় যে, অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা উচিত নহয়, কিয়নো এই পদ কোনো দলৰ নহয়।

ইপিনে অষ্টাদশ লোকসভাৰ অধিবেশনৰ আজি দ্বিতীয় দিনাও কেইবাগৰাকীও নৱনিৰ্বাচিত সদস্যই শপত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু আমোল খোলে, শিৱসেনা সিন্দে গোটৰ ড ০ শ্ৰীকান্ত সিন্দে, পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰছেৰ সাংসদ চৰণজিত সিং চান্নি, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদাল ইত্যাদি অন্যতম। উল্লেখযোগ্য যে কালি ২৬৬ গৰাকী সাংসদে শপত গ্ৰহণ কৰিছিল আৰু বাকী সকলে আজি শপত গ্ৰহণ কৰে। কাইলৈ সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দিব।

০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অবৈধ ধনৰ লেন-দেনৰ এটা গোচৰত বিচাৰ আদালতে দিয়া জামিনৰ নিৰ্দেশত দিল্লী উচ্চ ন্যায়ালয়ে আজি স্থগিতাদেশ জাৰি কৰিছে। ন্যায়াধীশ সুধীৰ কুমাৰ জৈনৰ এখন অৱকাশকালীন বিচাৰপীঠে, বিচাৰ আদালতে কেজৰিৱালৰ জামিন মঞ্জুৰ কৰি দিয়া নিৰ্দেশ স্থগিত ৰাখিবলৈ বিধি বলবৎকাৰী সঞ্চালকালয়ে দাখিল কৰা এখন আবেদনৰ প্ৰত্যুত্তৰত এই নিৰ্দেশ জাৰি কৰে। উচ্চ ন্যায়ালয়ে বিধি বলবৎকাৰী সঞ্চালকালয়ৰ অভিযোগসমূহ সমৰ্থন কৰাৰ লগতে বিচাৰ আদালতে তদন্তকাৰী সংস্থাটোৰ কথাক গুৰুত্ব দিয়া নাছিল বুলি কয়। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে কালি দিল্লী উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ নিৰ্দেশ স্থগিত ৰখাৰ বাবে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই কেজৰিৱালে দাখিল কৰা এখন আবেদন স্থগিত ৰাখি অহা বুধবাৰে অৰ্থাৎ কাইলৈ গোচৰটোৰ শুনানীৰ দিন ধাৰ্য্য কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ে বিধি বলবৎকাৰী সঞ্চালকালয়ে বিচাৰ আদালতৰ নিৰ্দেশ স্থগিত ৰাখিবলৈ দাখিল কৰা আবেদনৰ চূড়ান্ত নিৰ্দেশ দিল্লী উচ্চ ন্যায়ালয়ে ইতিমধ্যে জাৰি কৰাৰ সম্ভাৱনা আছে বুলি গোচৰটোৰ শুনানী পিছুৱাই দিছিল। উল্লেখযোগ্য যে, কেজৰিৱালক যোৱা ২১ মাৰ্চত দিল্লী আৱকাৰী নীতি সন্দৰ্ভত হোৱা দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি সংসদত ৰাজ্যসভাৰ নৱ-নিৰ্বাচিত সাংসদ সুনেত্ৰা অজিত পাৱাৰক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী এল মুৰুগান আৰু ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৰাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে। ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আফগানিস্তানে আজি কিংষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত বাংলাদেশক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ৮ ৰানত পৰাস্ত কৰি চতুৰ্থটো দল হিচাপে ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১১৫ ৰান সংগ্ৰহ কৰে। খেলখনত বৰষুণে বিধি-পথালি দিয়াত বাংলাদেশৰ বাবে ১৯ অ'ভাৰত ১১৪ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰা হয়। প্ৰত্যুত্তৰত বাংলাদেশে ১৭ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত চাৰিটাকৈ উইকেট দখল কৰা আফগানিস্তানৰ নবীন-উল-হকক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত বৃহস্পতিবাৰে গায়ানাত হ'বলগীয়া ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০

সমাপ্ত